# আমাৰ বিষয়ে দুটিমান কথা

2009





স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী শ্ৰী জৱাহৰলাল নেহৰুৰদ্বাৰা ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ অধীনত 1 আগষ্ট, 1957 চনত নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া স্থাপন কৰা হয় এই উদ্দেশ্য লৈ— ইংৰাজীকে ধৰি আটাইবোৰ প্ৰধান ভাৰতীয় ভাষাত পাঠকে বলেপৰা মূল্যত ভাল সাহিত্য প্ৰকাশ কৰা আৰু আলোচনা চক্ৰ, গ্ৰন্থ মেলা, গ্ৰন্থ প্ৰদৰ্শনী, কৰ্মশালা আদি গ্ৰন্থ সংস্কৃতিৰ প্ৰসাৰমূলক কাম-কাজৰদ্বাৰা সমাজত কিতাপ পঢ়াৰ এটা সংস্কৃতি গঢ়ি তোলা।

কিতাপ আৰু পঠন ৰুচিৰ বিকাশৰ বাবে কাম কৰা বৃত্তিমুখী অনুষ্ঠান নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া (এনবিটি) মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ মাধ্যমিক আৰু উচ্চ শিক্ষা বিভাগৰ অধীনস্থ এক স্বায়ত্বশাসিত অনুষ্ঠান। 1957 চনত স্থাপিত এনবিটিয়ে 2007 চনত ইয়াৰ সোণালী জয়ন্তী পালন কৰে। ট্ৰাষ্টৰ ঘাই ঘাই কাৰ্যাৱলীৰ বিৱৰণ তলত দিয়া হৈছে ঃ

## প্ৰকাশন

সমাজৰ সকলো শ্ৰেণী আৰু সকলো বয়সৰ পাঠকৰ বাবে কল্পনা সাহিত্যৰপৰা আৰম্ভ কৰি সমাজ বিজ্ঞান, চিকিৎসা বিজ্ঞান আৰু অত্যাধুনিক প্ৰযুক্তি বিষয়ক গ্ৰন্থলৈকে আমি ভিন্নস্বাদৰ গ্ৰন্থ প্ৰকাশ কৰো।

পাঠকে সহজে বলেপৰা মূল্যত আমি গ্ৰন্থ প্ৰকাশ কৰো আটাইবোৰ প্ৰধান ভাৰতীয় ভাষাত ঃ অসমীয়া, বাংলা, ইংৰাজী, হিন্দী, গুজৰাতী, কান্নাড়, কাশ্মীৰী, কংকনী, মালয়ালম, মণিপুৰী, মাৰাঠী, মৈথিলী, নেপালী, উৰিয়া, পাঞ্জাৱী, সিন্ধী, তামিল, তেলুগু আৰু উৰ্দু।

ইয়াৰোপৰি, ভিলি, গোন্দি, চান্থালি আৰু আও নগা, বড়ো, গাৰো, খাচী, মিচিং, লেপ্চা, লিম্বু, ভূটীয়া, নেৱাৰি, মিজো ইত্যাদি উত্তৰ-পূৰ্বাঞ্চলীয় ভাষাতো শিশুসকলৰ বাবে বচা বচা গ্ৰন্থ প্ৰকাশ কৰোঁ। দেশৰ আন আঞ্চলিক ভাষাসমূহত লভ্য গুৰুত্বপূৰ্ণ সাহিত্য প্ৰকাশৰ বাবে আমি চেষ্টা কৰি আহিছো।

আমি সাহিত্যৰ সেইবোৰ প্ৰকাৰৰ ওপৰত বিশেষ গুৰুত্ব দিওঁ যিবোৰে ভাৰতত পৰ্যাপ্ত গুৰুত্ব লাভ কৰা নাই। এইবোৰৰ সম্পৰ্ক আছে সাধাৰণ পাঠকৰ বাবে যুগুতোৱা বিজ্ঞান, প্ৰযুক্তি, পৰিৱেশ আৰু ভাৰতৰ ভূমি তথা অধিবাসী বিষয়ক গ্ৰন্থৰ সৈতে।

ঘাইকে তলত দিয়া শিতানসমূহত আমি গ্ৰন্থ প্ৰকাশ কৰো ঃ ভাৰত—দেশ আৰু মানুহ, তৰুণ ভাৰতী পুথিভঁৰাল, জনপ্ৰিয় বিজ্ঞান, আদান-প্ৰদান (বিখ্যাত সাহিত্যকৰ্মৰ অনুবাদ), ভাৰতীয় ধ্ৰুপদী সাহিত্য, লোককৃষ্টি, ৰাষ্ট্ৰীয় জীৱনচৰিত, নেহৰু বাল পুস্তকালয় (শিশু সাহিত্য), অবিৰত শিক্ষা, নৱসাক্ষৰ সাহিত্যমালা, বিশ্ব সাহিত্য, ভাৰতীয় সাহিত্য, ব্ৰেইল, সৃজনীমূলক শিক্ষা আৰু অন্যান্য। অলপতে আমি চাৰিটা নতুন শৃংখলাত গ্ৰন্থ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছো—আত্মজীৱনী, ভাৰতীয় অধিপ্ৰবাসিকী অধ্যয়ন, জনপ্ৰিয় সমাজ বিজ্ঞান, আৰু আফ্ৰিকীয়-এচীয় দেশসমূহ।

# আমাৰ বিষয়ে দুটিমান কথা

2009



কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ড. ভি কে আৰ্ ভি ৰাওৰদ্বাৰা 1970 চনত ৰাষ্ট্ৰীয় গ্ৰন্থ মেলা, মাদ্ৰাজৰ উদ্বোধন।




নতুন দিল্লীত 1972 চনত অনুষ্ঠিত প্ৰথম বিশ্ব গ্ৰন্থ মেলাৰ সময়ত লোৱা এখন ফটোগ্ৰাফ।

## গ্ৰন্থ আৰু পঠন ৰুচিৰ বিকাশ

বিদেশত ভাৰতীয় গ্ৰন্থৰ প্ৰসাৰ আৰু ভাৰতত গ্ৰন্থ সংস্কৃতি বিয়পোৱাৰ কামত মূল অনুষ্ঠান হিচাপে আমি,

- বিভিন্ন পৰ্যায়ত সমগ্ৰ দেশতে গ্ৰন্থ মেলা/প্ৰদৰ্শনী আয়োজন কৰো। এতিয়ালৈকে আমি 18 খন বিশ্ব গ্ৰন্থ মেলা, ত্ৰিছৰো অধিক ৰাষ্ট্ৰীয় গ্ৰন্থ মেলা আৰু ষাঠিৰো অধিক আঞ্চলিক গ্ৰন্থ মেলা আয়োজন কৰিছো;
- বিভিন্ন আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থ মেলাত অংশগ্ৰহণ কৰো;
- ভ্ৰাম্যমাণ প্ৰদৰ্শনীৰদ্বাৰা ৰাইজৰ দুৱাৰডলিলৈ গ্ৰন্থ লৈ যাওঁ;
- সমগ্ৰ দেশৰে প্ৰায় ষাঠি হেজাৰ পাঠকক আমাৰ কিতাপ সংঘৰ আজীৱন সদস্য কৰি লৈছো;
- লেখক আৰু প্ৰকাশকসকলক সাহায্য দিওঁ;
- আলোচনা চক্ৰ আৰু কৰ্মশালাৰ আয়োজন কৰোঁ;
- এটা ৰাষ্ট্ৰীয় শিশু সাহিত্য কেন্দ্ৰ পৰিচালনা কৰোঁ।

আমি আমাৰ এক উদ্ভাৱনমূলক আঁচনিৰ জৰিয়তে সমগ্ৰ দেশতে ভ্ৰাম্যমাণ গ্ৰন্থ প্ৰদৰ্শনীৰ আয়োজন কৰি দেশৰ দূৰণিবটীয়া গ্ৰামীণ আৰু দুৰ্গম এলেকাসমূহৰ ৰাইজৰ আগলৈ কিতাপ লৈ যাওঁ। 1992 চনত শুভাৰম্ভ কৰাৰেপৰা এই পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলকে ধৰি দেশৰ আটাইবোৰ ৰাজ্যতে 8000 ৰো অধিক ভ্ৰাম্যমাণ প্ৰদৰ্শনী আয়োজন কৰা হৈছে।

উত্তৰ-পূৰ্বাঞ্চলত গ্ৰন্থ আৰু পঠন ৰুচিৰ বিকাশৰ বাবে আমাৰ বিশেষ প্ৰকল্পৰ অধীনত আমি কেইবাখনো গ্ৰন্থ মেলা/উৎসৱ আৰু বহুতো সাহিত্য অনুষ্ঠান আয়োজন কৰিছো। শ্বিলঙ, বৰপেটা, নলবাৰী, দুলিয়াজান, আইজাল, কহিমা, পাঠশালা, ইটানগৰ, তুৰা, মঙলদৈ, গোলাঘাট আদি ঠাইত এনে গ্ৰন্থ উৎসৱ আয়োজন কৰা হৈছে।

প্ৰতি বছৰে 14 ৰপৰা 20 নৱেম্বৰলৈ, আমাৰ উদ্যোগতে, সমগ্ৰ দেশৰ শৈক্ষিক আৰু আন প্ৰতিষ্ঠানসমূহে, আৰু সাহিত্যিক তথা প্ৰকাশন সংস্থাসমূহে কিতাপ সম্পৰ্কীয় অনুষ্ঠান আৰু গ্ৰন্থ প্ৰদৰ্শনীৰে ৰাষ্ট্ৰীয় গ্ৰন্থ সপ্তাহ পালন কৰে। গ্ৰন্থ আৰু পঠনৰুচিৰ বিকাশ সম্পৰ্কীয় সামগ্ৰী পোনপটীয়াকৈ দেশৰ বিভিন্ন ঠাইলৈ ডাকত দিয়াৰ ব্যৱস্থা কৰি আৰু ইলেকট্ৰনিক তথা ছপা সংবাদ মাধ্যমৰপৰা পোৱা অকুণ্ঠ সমৰ্থনৰদ্বাৰা আমি এই অৱধাৰণা সমগ্ৰ দেশতে জনপ্ৰিয় কৰি তুলিব পাৰিছো। এই গ্ৰন্থ সপ্তাহৰ কালছোৱাত, সমগ্ৰ দেশতে ভালেমান আলোচনা চক্ৰ, কৰ্মশালা, গ্ৰন্থ প্ৰদৰ্শনী আৰু শিশুৰ বাবে তথা শিশুৰদ্বাৰা কাৰ্যকলাপৰ আয়োজন কৰা হয়।

# আমাৰ বিষয়ে দুটিমান কথা

## 2009



সত্যজিৎ ৰায়ে 1978 চনত তৈয়াৰ কৰা এনবিটি গ্ৰন্থ 'বেংগলী থিয়েটাৰ'ৰ বেটুপাত


1982 চনত লণ্ডনৰ ভাৰত উৎসৱত ট্ৰাষ্টে আয়োজন কৰা গ্ৰন্থ প্ৰদৰ্শনৰ অংশ হিচাপে ভাৰতীয় ভাষাসমূহৰ বৈচিত্ৰ্যমূলক লিপি প্ৰদৰ্শন কৰি শংখ চৌধুৰীয়ে প্ৰস্তুত কৰা পেনেল।

### প্ৰকাশন পাঠ্যক্ৰম

প্ৰকাশন জগতলৈ বুদ্ধিদীপ্ত তৰুণ-তৰুণীক আকৰ্ষিত কৰিবলৈ, এনবিটিয়ে প্ৰতি বছৰে এটা এমহীয়া পৰিচয়মূলক প্ৰকাশন পাঠ্যক্ৰমৰ আয়োজন কৰে। 1996 চনৰপৰা এতিয়ালৈকে দিল্লীত এন এঘাৰটা এমহীয়া পাঠ্যক্ৰমৰ আয়োজন কৰা হৈছে। পানাজী, কানপুৰ, নাছিক, আলিগড়, আগৰতলা, আইজল, ইম্ফল, গুৱাহাটী, শ্বিলঙ, থিৰুভানানথাপুৰম, ভুৱেনেশ্বৰ, কলকাতা, আহমেদাবাদ, ঔৰাংগাবাদ, পাটনা, হায়দৰাবাদ আদি ঠাইতো এনে প্ৰকাশন পাঠ্যক্ৰম আয়োজিত হৈছে।

### ৰাষ্ট্ৰীয় শিশু সাহিত্য কেন্দ্ৰ (এনচিচিএল)

বিভিন্ন ভাৰতীয় ভাষাত মানবিশিষ্ট শিশু সাহিত্য প্ৰকাশৰ বাবে প্ৰয়োজনীয় সমন্বয়, পৰিকল্পনা আৰু সাহায্যৰ বাবে আমি ৰাষ্ট্ৰীয় শিশু সাহিত্য কেন্দ্ৰ (এনচিচিএল) নামৰ এটা বিশেষ গোট স্থাপন কৰিছো। শিশু সাহিত্যৰ এটা পুথিভঁৰাল তথা নথিবদ্ধকৰণ কেন্দ্ৰকে ধৰি এনচিচিএলে কৰ্মশালা, আলোচনা চক্ৰ, গ্ৰন্থ প্ৰদৰ্শনীৰ আয়োজন আৰু স্কুল পৰ্যায়ত পাঠক সংঘ প্ৰতিষ্ঠাত উদগণি দি পঠন ৰুচিৰ বিকাশৰ কামো কৰি আহিছে। এনচিচিএলে শিশু সাহিত্য সম্পৰ্কীয় জৰীপ আৰু গৱেষণামূলক কামো কৰি আহিছে।

### এনবিটি কিতাপ সংঘ

ট্ৰাষ্টৰ এনবিটি বুক ক্লাব বা এনবিটি কিতাপ সংঘ নামৰ এক অনন্য আঁচনিও আছে। এই সংঘৰ সদস্যসকলে এনবিটি কিতাপ ক্ৰয় কৰোতে এটা বিশেষ ৰেহাই আৰু VPP ৰদ্বাৰা কিতাপ গ্ৰহণ কৰাৰ সময়ত ডাক খৰচতো এটা ৰেহাই লাভ কৰে। এজন পাঠকে এবাৰত মাত্ৰ 50 টকা জমা দি এই সংঘৰ আজীৱন সদস্য হ'ব পাৰে। ইয়াৰ বাহিৰেও সংঘৰ সকলো সদস্যই ট্ৰাষ্টৰ মাহেকীয়া হিন্দী আৰু ইংৰাজী নিউজলেটাৰ তথা তিনিমহীয়া অসমীয়া নিউজলেটাৰ পোৱাৰ যোগ্য আৰু ইয়াৰদ্বাৰা তেওঁলোকে ট্ৰাষ্টৰ কাম-কাজৰ সম্বেদ পাই থাকিব পাৰে।

### বিদেশত ভাৰতীয় গ্ৰন্থৰ প্ৰসাৰ

বিদেশত ভাৰতীয় গ্ৰন্থ প্ৰসাৰৰ কামত মূল সংস্থা হিচাপে, এনবিটিয়ে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থ মেলাত যোগদান কৰে আৰু বিভিন্ন ভাৰতীয় প্ৰকাশকে প্ৰকাশ কৰি উলিওৱা গ্ৰন্থ প্ৰদৰ্শন কৰি বিদেশত গ্ৰন্থ প্ৰদৰ্শনীৰো আয়োজন কৰে।

# আমাৰ বিষয়ে দুটিমান কথা

## 2009

1970 চনৰপৰা এই পৰ্যন্ত এনবিটিয়ে প্ৰায় 350 খন আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থ মেলাত অংশগ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত সমগ্ৰ বিশ্বতে জনপ্ৰিয় আৰু নিয়মীয়াকৈ অনুষ্ঠিত ফ্ৰেংকফৰ্ট, বল'না আৰু শ্বাৰজাহ গ্ৰন্থ মেলাও আছে। এচিয়া মহাদেশৰ ভিতৰত, এনবিটিয়ে বেইজিঙ (চীন), কলম্বো (শ্ৰীলংকা), ঢাকা (বাংলাদেশ), কাঠমাণ্ডু (নেপাল), কৰাচী আৰু লাহোৰ (পাকিস্তান) আদি ঠাইত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থ মেলাসমূহত ভাগ লৈ আহিছে।

জাৰ্মানীৰ ফ্ৰেংকফৰ্টত প্ৰতিবছৰে অনুষ্ঠিত বিশ্বৰ সৰ্ববৃহৎ আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থ মেলা, ফ্ৰেংকফৰ্ট গ্ৰন্থ মেলা, 2006 ত ভাৰতক বিশেষ অতিথি দেশ হিচাপে বাচনি কৰাটো ভাৰতৰ বাবে এটা ডাঙৰ গৌৰৱৰ কথা। প্ৰকাশন ক্ষেত্ৰ, গ্ৰন্থৰ প্ৰসাৰ, বিদ্যায়তনিক শ্ৰেষ্ঠত্ব আৰু জ্ঞানৰ প্ৰসাৰৰ বাবে ব্যৱহৃত প্ৰযুক্তি আদি ক্ষেত্ৰত এখন দেশৰ শক্তি বিশ্ববাসীৰ আগত তুলি ধৰিবলৈ এই গ্ৰন্থ মেলাই এক বিশ্বজনীন মঞ্চ প্ৰদান কৰে। ভাৰতেই হ'ল বিশ্বৰ একমাত্ৰ দেশ যি এই সন্মান দুবাৰ লাভ কৰিছিল—প্ৰথমবাৰ 1986 চনত আৰু তাৰ পাছত পুনৰ 2006 চনত।



নতুন দিল্লীত 1983 চনত অনুষ্ঠিত এনবিটিৰ ৰূপালী জয়ন্তী উৎসৱত প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী।



এনবিটিয়ে 1983 চনত কলিকতাত আয়োজন কৰা প্ৰথম শিশু গ্ৰন্থ মেলাৰ প্ৰৱেশদ্বাৰৰ এটা দৃশ্য।

## লেখক আৰু প্ৰকাশকসকললৈ সাহায্য

যুক্তিসংগত মূল্যত উচ্চ শিক্ষাৰ বাবে গ্ৰন্থ প্ৰকাশত উদগণি দিবলৈ আমি পাঠ্যপুথি আৰু প্ৰসঙ্গ সামগ্ৰীৰ লেখক তথা প্ৰকাশকক বিত্তীয় সাহায্য দিওঁ। এই আঁচনিৰ অধীনত, কেৱল সেইবোৰ গ্ৰন্থৰ প্ৰকাশনৰ বাবেহে ৰাজসাহায্য দিয়া হয় যিবোৰ গ্ৰন্থৰ এটা নিৰ্দিষ্ট প্ৰয়োজন অনুভৱ কৰা হৈছে বা যিবোৰ গ্ৰন্থই এনেকুৱা বিষয় সামৰি লৈছে যি বিষয়ৰ গ্ৰন্থ হয় সহজতে পোৱা নাযায় বা থাকিলেও সেইবোৰৰ মূল্য ছাত্ৰ-ছাত্ৰীসকলে বলেপৰা বিধৰ নহয়। এই পৰ্যন্ত আমি প্ৰায় 940 খন এনে গ্ৰন্থৰ প্ৰকাশনৰ বাবে ৰাজসাহায্য দিছো। এইবোৰৰ বেছিভাগেই ইংৰাজী ভাষাত লিখা গ্ৰন্থ। অভিধান আৰু বিশ্বকোষকে ধৰি ভাৰতীয় ভাষাসমূহত চিন্তা উদ্ৰেককাৰী গ্ৰন্থৰ প্ৰকাশত সাহায্য দিব পৰাকৈ এই আঁচনিৰ পৰিসীমা সম্প্ৰসাৰিত কৰা হৈছে।

## আমাৰ প্ৰকাশন কাৰ্যসূচী

আমি কেইটামান সুসংজ্ঞাবদ্ধ শৃংখলাৰ অধীনত গ্ৰন্থ প্ৰকাশ কৰো।

**ভাৰত—দেশখন আৰু মানুহ ঃ** এই শৃংখলাৰ গ্ৰন্থবোৰে ভাৰতৰ সংগ্ৰথিত আৰু বৰ্ণাঢ্য ৰূপটো সমৃদ্ধ কৰি তোলা বিভিন্ন ভৌতিক পৰিৱেশ, বৈচিত্ৰ্যপূৰ্ণ সাংস্কৃতিক পৰম্পৰা আৰু উদ্ভিদ তথা জীৱ-জন্তুৰ পৰিচয় দাঙি ধৰে। বিশেষজ্ঞসকলে সহজ-

# আমাৰ বিষয়ে দুটিমান কথা

## 2009



1992 চনত আৰম্ভ কৰা “চকাৰ ওপৰত কিতাপ” আঁচনিৰ অধীনত 2003 চনত ট্ৰাষ্টে অন্ধ্ৰপ্ৰদেশৰ এখন গাঁৱত আয়োজন কৰা ভ্ৰাম্যমাণ গ্ৰন্থ প্ৰদৰ্শনীৰ এটা দৃশ্য।



2003 চনত নৱসাক্ষৰসকলৰ বাবে পাণ্ডুলিপি তৈয়াৰ কৰিবলৈ এনবিটিৰদ্বাৰা আয়োজিত এখন কৰ্মশালা চলি আছে বিহাৰৰ নাৱাডা জিলাৰ এখন গাঁৱত।

সৰল ভাষাত ৰচনা কৰা এইবোৰ গ্ৰন্থই বিষয়টোৰ লগত ভালকৈ পৰিচিত নোহোৱা পাঠকক বিশ্বাসযোগ্য আৰু শেহতীয়া তথ্যৰ যোগান ধৰে।

**তৰুণ ভাৰতী পুথিভঁৰাল ঃ** এই শৃংখলাৰ অধীনত 18 বছৰৰ আশে-পাশে থকা তৰুণ পাঠকসকলৰ বাবে গ্ৰন্থ প্ৰকাশৰ মূল উদ্দেশ্য হ'ল তেওঁলোকে ভৱিষ্যতে জীৱনত সন্মুখীন হ'ব পৰা সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱধাৰণাসমূহ, প্ৰশ্নসমূহ আৰু বিকল্পসমূহৰ সৈতে তেওঁলোকক পৰিচয় কৰি দিয়া। দুঃসাহসিক অভিযান, ভ্ৰমণ আৰু কেৰিয়াৰ সম্পৰ্কীয় গ্ৰন্থও এই শৃংখলাত প্ৰকাশ কৰা হয়।

**জনপ্ৰিয় বিজ্ঞান ঃ** সাধাৰণ আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত পাঠকক তেওঁৰ কেউকাষৰ পৃথিৱীখন বুজাত, দৈনন্দিন জীৱনত বিজ্ঞান আৰু প্ৰযুক্তিৰ ভূমিকানো কি সেই কথা শিকাত সহায় কৰাটোৱেই এই শৃংখলাৰ অধীনত প্ৰকাশিত গ্ৰন্থবোৰৰ উদ্দেশ্য। এই উদ্দেশ্যত আগবাঢ়ি যাওঁতে আলোচ্য ক্ষেত্ৰত ভাৰতৰ অৱদানৰ ক্ষেত্ৰতো যথাসম্ভৱ গুৰুত্ব দিয়া হয়। নীতিমূলক ঘটনা বা উপাখ্যান, দৈনন্দিন জীৱনৰ উদাহৰণ আৰু সুন্দৰ অলংকৰণেৰে এই শৃংখলাৰ গ্ৰন্থবোৰ সহজতে বুজি পোৱা ভাষাত লিখা হয়। পাঠটো বেছি ভালকৈ বুজি পাব পৰাকৈ নক্সা, চিত্ৰ আৰু ফটোগ্ৰাফো এনেবোৰ গ্ৰন্থত দিয়া হয়।

**আদান-প্ৰদান ঃ** দেশৰ বিভিন্ন অঞ্চলৰ সৃষ্টিমূলক সাহিত্য এটা ভাষাৰপৰা আনটো ভাষাৰ পাঠকৰ বাবে লভ্য কৰা এই শৃংখলাৰ এটা বিশেষ গুৰুত্ব আছে এই কাৰণেই যে এই আদান-প্ৰদানৰদ্বাৰা এটা ৰাষ্ট্ৰীয় সংহতি স্থাপন সম্ভৱ হৈ উঠিব পাৰে। এটা বিশেষ ভাষাৰ বিখ্যাত সাহিত্য কৰ্ম, য'ত প্ৰধানতঃ উপন্যাস আৰু চুটিগল্প লোৱা হয়, আন ভাৰতীয় ভাষাসমূহৰ পাঠকৰ সমুখত তুলি ধৰে এই শৃংখলাৰ অনুবাদ গ্ৰন্থবোৰে। যিহেতু সমসাময়িক সাহিত্য কৰ্মহে এই শৃংখলাৰ অধীনত সামৰি লোৱা হয়, সেয়েহে ভাৰতীয় ধ্ৰুপদী সাহিত্যসমূহ আমি *ধ্ৰুপদী সাহিত্য* নামৰ আন এটা শৃংখলাত প্ৰকাশ কৰো।

**লোককৃষ্টি ঃ** এটা অঞ্চলবিশেষৰ ৰাইজৰ সাংস্কৃতিক পৰিয়চক গঢ় দিয়া লোককৃষ্টি-সমূহৰ সৈতে আন এটা অঞ্চলৰ ৰাইজক চিনাকি কৰি দিয়াই এই শৃংখলাৰ উদ্দেশ্য। ইয়াত বৰ্ণিত লোককলা বা লোককৃষ্টিক দেখুওৱা হয় এটা জীৱন্ত সত্তা হিচাপে।

**ৰাষ্ট্ৰীয় জীৱনচৰিত ঃ** ভাৰতীয় সমাজ, সংস্কৃতি, বিজ্ঞান, অৰ্থনীতি, ৰাজনীতি আৰু এটা আধুনিক ভাৰতীয় সংবেদনশীলতাৰ বিকাশত অনবদ্য অৱদান যোগোৱা ভাৰতীয় নাৰী আৰু পুৰুষৰ জীৱনী প্ৰকাশ কৰাই এই শৃংখলাৰ উদ্দেশ্য।

**নেহৰু বাল পুস্তকালয় ঃ** শিশুসকলৰ বাবে উপভোগ্য আৰু তথ্যসমৃদ্ধ সাহিত্যৰ

# আমাৰ বিষয়ে দুটিমান কথা

## 2009



এনবিটিয়ে 2006 চনত আয়োজন কৰা আইজল গ্ৰন্থ মেলাত শিশুসকল।



কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন মন্ত্ৰী শ্ৰী অৰ্জুন সিঙ আৰু জাৰ্মান ফেডাৰেল বিদেশ মন্ত্ৰী ড. ফ্ৰেংক ৱাল্টাৰ ষ্টিনমিৰে উদ্বোধন কৰিছে বিশেষভাৱে নিৰ্মিত ভাৰত মঞ্চ, ফ্ৰেংকফৰ্ট গ্ৰন্থ মেলা, 2006ত য'ত ভাৰত আছিল বিশেষ অতিথি দেশ।

একোটা ৰত্ন-ভাণ্ডাৰ গঢ়ি তোলাই এই শৃংখলাৰ উদ্দেশ্য। সমগ্ৰ ভাৰতৰ শিশুসকলৰ বাবে তেওঁলোকৰ মাতৃভাষাত এক বৃহৎ পৰিসৰৰ ভিতৰত সম্ভৱ বিভিন্ন বিষয়বস্তুৰ সম্পৰ্কে উমৈহতীয়া পঠন সামগ্ৰীৰ যোগান ধৰি এই শৃংখলাই ৰাষ্ট্ৰীয় সংহতিৰ ভাবো সুদৃঢ় কৰিছে।

এই শৃংখলাৰ গ্ৰন্থসমূহে চাৰিটা বয়সগোটৰ শিশুসকলৰ প্ৰয়োজন পূৰণ কৰে ঃ প্ৰাক্-স্কুল, 6-8, 9-11 আৰু 12-14 বছৰ। আটাইবোৰ কিতাপত থাকে ৰঙীন আৰু/বা ক'লা বগা অলংকৰণ, ৰেখা চিত্ৰ আৰু ফটোগ্ৰাফ। প্ৰাক্-স্কুল শিশুসকলৰ বাবে উলিওৱা কিতাপবোৰত একো একোটা কাহিনীৰ ৰূপ ধাৰণ কৰা ৰঙচঙীয়া চিত্ৰবোৰেই কিতাপখনৰ পাঠ হৈ উঠে।

**নৱসাক্ষৰসকলৰ বাবে গ্ৰন্থ** ঃ এই শৃংখলাত প্ৰকাশ কৰা প্ৰায়বোৰ গ্ৰন্থই স্থানীয় ৰাইজৰ অংশগ্ৰহণেৰে গ্ৰামীণ অঞ্চলত আয়োজিত কৰ্মশালাৰ পৰিণতি। লেখক/বিশেষজ্ঞসকলকো কেতিয়াবা এনে কিতাপ লিখিবলৈ বা ইতিমধ্যে প্ৰকাশিত কিতাপৰ ছাঁ লৈ বা সংক্ষিপ্ত ৰূপ তৈয়াৰ কৰি উলিয়াবলৈয়ো দিয়া হয়। নৱসাক্ষৰসকলৰ প্ৰয়োজনৰ সৈতে এই কিতাপবোৰ খাপখোৱা বিধৰ কৰি তুলিবলৈ সেইবোৰ সদায় তেওঁলোকে বুজি পোৱা ভাব-ভাষাত লিখা হয় আৰু কিতাপবোৰৰ ক্ষেত্ৰভিত্তিক পৰীক্ষাও কৰা হয়। এইবোৰ কিতাপত বিস্তৃত অলংকৰণৰো ব্যৱস্থা কৰা হয়।

**জনপ্ৰিয় সমাজ বিজ্ঞান** ঃ এই শৃংখলাৰ গ্ৰন্থবোৰে সাধাৰণ পাঠকক সমাজ বিজ্ঞানৰ জনপ্ৰিয় অৱধাৰণা তথা বিমূৰ্ত্ত চিন্তাবোৰৰ সৈতে পৰিচয় কৰাই দিয়ে। লিংগভিত্তিক অধ্যয়ন, জনজাতীয় অধ্যয়ন, শান্তি তথা সংঘৰ্ষ অধ্যয়ন, বিকাশভিত্তিক অৰ্থনীতি, সমাজ সংগঠন আদি সঘন আলোচনাৰ বিষয় হৈ পৰা সাম্প্ৰতিক ক্ষেত্ৰবোৰেই এই শৃংখলাত গুৰুত্ব দিয়া হয়।

**ভাৰতীয় অধিপ্ৰবাসিকী অধ্যয়ন** ঃ এই শৃংখলাৰ গ্ৰন্থবোৰৰ বিচাৰ্য বিষয় হ'ল বিশ্বৰ বিভিন্ন ঠাইত বসতি স্থাপন কৰা ভাৰতীয় অধিপ্ৰবাসী সম্প্ৰদায়ৰ জীৱন আৰু কৰ্ম। এই অধ্যয়নে আন্তঃসাংস্কৃতিক বিনিময়, বিচ্ছিন্নতা আৰু দেশান্তৰ, স্থানান্তৰণ, প্ৰব্ৰজন আদিৰ প্ৰভাৱৰ গুৰুত্বপূৰ্ণ লক্ষণসমূহ বিচাৰি উলিয়াবলৈ প্ৰয়াস কৰে। সাম্প্ৰতিক কালত অধ্যয়নৰ এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হৈ উঠা এই বিষয়ত গ্ৰন্থ প্ৰকাশৰ বাবে চলোৱা প্ৰচেষ্টাৰদ্বাৰা এনবিটিয়ে এটা অগ্ৰগামী ভূমিকা পালন কৰিছে।

**আফ্ৰিকীয়-এচীয় দেশসমূহ** ঃ উত্তৰ-ঔপনিৱেশিক বিশ্বত, এচিয়া আৰু আফ্ৰিকাৰ দেশসমূহ সাংস্কৃতিক, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে লেখত ল'বলগীয়া শক্তি হৈ উঠিছে আৰু এইবোৰ দেশৰ উমৈহতীয়া উদ্বেগৰ বাবে দেশবোৰৰ এটা গুৰুত্বপূৰ্ণ অধ্যয়ন ক্ষেত্ৰ হৈ উঠিছে। এই শৃংখলাৰ অধীনত প্ৰকাশ

# আমাৰ বিষয়ে দুটিমান কথা

2009

হোৱা কিতাপবোৰে স্থায়ী বিকাশৰ সমস্যা আৰু সম্ভাৱনা, বিশ্বায়ন, বিজ্ঞান আৰু প্ৰযুক্তি, কৃষি, শিক্ষা, স্বাস্থ্য, সামৰিক মৈত্ৰী আদি বিষয় সামৰি লয়।

**বিশ্ব সাহিত্য ঃ** এচীয়, আফ্ৰিকীয় আৰু লেটিন আমেৰিকাৰ দেশসমূহৰ সাম্প্ৰতিক সৃষ্টিশীল লেখনিৰ সংকলন এই শৃংখলাত প্ৰকাশ কৰা হয়।

**সৃজনীমূলক শিক্ষা ঃ** সম্প্ৰতি সক্ৰিয়ভাৱে কাৰ্যৰূপায়িত হৈ থকা নতুন শৈক্ষিক অৱধাৰণা আৰু সঁজুলিসমূহৰ ওপৰত গ্ৰন্থ প্ৰকাশ কৰাই এই শৃংখলাৰ উদ্দেশ্য। এটা ব্যৱহাৰিক দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব দিয়া এই কিতাপবোৰ শিক্ষক আৰু শিক্ষাৰ ক্ষেত্ৰত কাম কৰি থকা আন লোকসকলৰ প্ৰয়োজনৰ কথা মনত ৰাখি বিশেষভাৱে প্ৰস্তুত কৰা হৈছে।

**অন্যান্য কিতাপ ঃ** ওপৰৰ কোনোটো শৃংখলাতে সামৰি ল'ব নোৱৰা গুৰুত্বপূৰ্ণ কিতাপ এই শিতানত প্ৰকাশ কৰা হয়।

**অবিৰত শিক্ষা ঃ** এই শৃংখলাৰ লক্ষ্য হ'ল ভাৰতৰ আটাইবোৰ প্ৰধান ভাষাত 'অবিৰত শিক্ষা আঁচনিত' ভাগ লোৱা লেখকসকলৰ বাবে গ্ৰন্থ প্ৰকাশ কৰা। এই শৃংখলাৰ গ্ৰন্থবোৰৰ ভিতৰত আছে স্বাধীনতাৰ গীতৰ সংকলন, জীৱনী, ভাৰতীয় সংস্কৃতি, ৰাজনীতি, উদ্যোগ, কৃষি আদি বিষয়ক গ্ৰন্থ।

**এচীয়/প্ৰশান্ত মহাসাগৰীয় সহ-প্ৰকাশন কাৰ্যসূচী ঃ** ইউনেস্ক'ৰ তৎপৰতাত সম্ভৱ হোৱা, ই এচীয় লেখকৰদ্বাৰা এচীয় শিশুসকলৰ বাবে কিতাপ তৈয়াৰ কৰাৰ এটা অভিনৱ প্ৰচেষ্টা। শ্ৰীলংকাৰ শিশুসকলৰ লগত কোৰিয়াৰ শিশুসকলে তেওঁলোকৰ সপোনৰ কথা পাতিব পৰাটো সম্ভৱ এলাপেচা সাফল্য নহয়। এই বিশাল মহাদেশখনৰ শিশুমনৰ মাজত এখন দলং সাজি এক উমৈহতীয়া ঐতিহ্য সৃষ্টি কৰা প্ৰচেষ্টাই এই শৃংখলাৰ গ্ৰন্থবোৰৰ বৈশিষ্ট্য।

**নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়াই**
এই কথা ঘোষণা কৰিবলৈ পাই সুখী হৈছে যে
**ঊনবিংশ নতুন দিল্লী বিশ্ব গ্ৰন্থ মেলা**
অনুষ্ঠিত হ'ব
**30 জানুৱাৰীৰপৰা 7 ফেব্ৰুৱাৰী, 2009 লৈ**
নতুন দিল্লীৰ প্ৰগতি ময়দানত

আন্তঃৰাষ্ট্ৰীয় গ্ৰন্থ প্ৰকাশন উদ্যোগত নতুন দিল্লী বিশ্ব গ্ৰন্থ মেলাই এক সন্মানজনক আসন লাভ কৰিছে। আকাৰ আৰু আয়তনৰ ফালৰপৰা ইয়াৰ স্থান হ'ব সম্ভৱ ফ্ৰেংকফৰ্ট গ্ৰন্থ মেলাৰ পাছতে।

# আমাৰ বিষয়ে দুটিমান কথা

**2009**

*আপোনাক লগা কিতাপবোৰৰ বাবে অনুগ্ৰহ কৰি স্থানীয় পুথি বিক্ৰেতাসকলৰ লগত যোগাযোগ কৰক বা আমালৈ লিখক ঃ*

## নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া


**Head Office**

Nehru Bhawan
5 Institutional Area, Vasant Kunj, Phase-II
New Delhi-110 070
*Telefax:* 24526174
*E-mail:* nbtindia@ndb.vsnl.net.in
*Website:* www.nbtindia.org.in

**Cottage/NBT Book Counter**

Central Cottage Industires Emporium
Jawahar Vyapar Bhawan, Janpath, New Delhi-110 001
*Telephone:* 91-11-23321909, 23326790 *Ext.:* 216

**NBT Book Counter**

National Rail Museum Chanakyapuri
New Delhi-110 021

**Western Regional Office**

Municipal Urdu Primary School
Babula Tank Cross Lane, Opp. J.J. Hospital, Mumbai-400 009
*Telefax:* 91-22-23720442
*E-mail:* nbtindiamumbai@yahoo.com

**Southern Regional Office**

Hall No. 1, BDA Shopping Complex
Banashankari II Stage, Bangalore-560 070
*Telefax:* 91-80-26711994 *E-mail:* nbtindiasro@vsnl.net

**Eastern Retional Office**

61, Mahatma Gandhi Street, Kolkata-700 009
*Telefax:* 91-33-22413899 *E-mail:* nbtero@dataone.in

# আমাৰ বিষয়ে



# দুটিমান কথা

নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া